# আজৰি সময়ৰ ব্যৱহাৰ

## Chapter – 18

## পৰিৱেশ অধ্যয়ন

## অনুশীলনীৰ প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। উত্তৰ লিখা :**

**(ক) আজৰি সময়ত তোমালোকে পঢ়া এখন কিতাপৰ নাম লিখা।**

উত্তৰ : 'বুঢ়ী আইৰ সাধু।

**(খ) তুমি ভালপোৱা দুটা খেলৰ নাম লিখা।**

উত্তৰ : ফুটবল আৰু কাবাডি।

**(গ) তুমি জনা অসমৰ এগৰাকী খেলুৱৈৰ নাম আৰু তেওঁ খেলা খেলৰ নাম লিখা।**

উত্তৰ : খেলুৱৈ কৃষ্ণ দাস। তেওঁ খেলা খেলখন হ'ল—ক্ৰিকেট।

**(ঘ) তুমি জনা এখন শিশু আলোচনীৰ নাম লিখা।**

উত্তৰ : শিশু আলোচনী—'মৌচাক'।

**(ঙ) তুমি খেলা কিছুমান খেলৰ নাম লিখা।**

উত্তৰ : মই খেলা খেল হ'ল—মাৰ্বল, ফুটবল, ক্ৰিকেট, কেৰম, লুডু, কাবাড়ি আদি।

**প্ৰশ্ন ২। শুদ্ধ উত্তৰটোত '✓' চিন দিয়াঃ**

**(ক) আজৰি সময়ত কৰা কামে মনত আনন্দ দিয়ে।**

উত্তৰ : ✓

**(খ) আজৰি সময়ত কৰা ভ্ৰমণৰ যোগেদি বহুত কথা শিকিব পাৰি।**

উত্তৰ : ✓

**(গ) পুথিভঁৰালৰ পৰা কিতাপ আনি ঘৰত পঢ়িব নোৱাৰি।**

উত্তৰ : X

**প্ৰশ্ন ৩। খালী ঠাই পূৰ কৰা :**

**(ক) সময় ——ধন।**

উত্তৰ : সময় অমূল্য ধন।

**(খ) সময়বোৰ অবাবত ——কৰিব নালাগে।**

উত্তৰ : সময়বোৰ অবাবত নষ্ট কৰিব নালাগে।

**(গ) বাতৰি কাকত পঢ়ি বহুত ——জানিব পাৰি।**

উত্তৰ : বাতৰি কাকত পঢ়ি বহুত কথা জানিব পাৰি।

**(ঘ) নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাচত যি সময় পোৱা যায় সেয়াই হ'ল ———।**

উত্তৰ : নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাচত যি সময় পোৱা যায় সেয়াই হ'ল আজৰি সময়।

**প্ৰশ্ন ৪। বাতৰি কাকত, আলোচনী আদি পঢ়িলে কি কি লাভ হয় লিখা।**

উত্তৰ : বাতৰি কাকত পঢ়িলে অভিজ্ঞতা বাঢ়ে বাতৰি কাকত পঢ়িলে নিজৰ ঠাইৰ লগতে দেশ-বিদেশৰ বিভিন্ন ঘটনাৰ বিষয়ে জানিব পাৰি। ইয়াৰ উপৰি বাতৰি কাকত আৰু

আলোচনীত থকা গল্প, প্ৰবন্ধ, সাধুকথা পঢ়িব পাৰি আৰু বুৰঞ্জী, ভূগোল আদিৰ বিষয়ে জানিব পাৰি।

**প্ৰশ্ন ৫। যোৱা বছৰ স্কুলৰ বাৰ্ষিক খেল-ধেমালিত তুমি কি কি প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল লিখা।**

উত্তৰ : মই দৌৰ, লং জাম্প, মনোযোগী খেল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিলোঁ।

**প্ৰশ্ন ৬। দলত আলোচনা কৰি তলত দিয়া বিষয় কেইটাক লৈ দুটাকৈ বাক্য লিখা।**

**(ক) পুথিভঁৰাল।**

**(খ) খেল-ধেমালি।**

**(গ) বাতৰি কাকত।**

উত্তৰ : **(ক) পুথিভঁৰাল :** পুথিভঁৰালত বিভিন্ন ধৰণৰ কিতাপ আলোচনী আদি থাকে। বিদ্যালয়, মহাবিদ্যালয়ৰ উপৰিও ৰাজহুৱা পুথিভঁৰাল আছে।

**(খ) খেল-ধেমালি :** খেল-ধেমালিয়ে মনত আনন্দ দিয়ে। খেল ধেমালি কৰিলে স্বাস্থ্য ভালে থাকে।

**(গ) বাতৰি কাকত :** বাতৰি কাকত পঢ়িলে বহুতো নজনা কথা জানিব পাৰি। বাতৰি কাকত পঢ়িলে নিজৰ দেশৰ লগতে বিভিন্ন দেশৰ ঘটনাবোৰৰ বিষয়ে জানিব পাৰি।

## অতিৰিক্ত প্ৰশ্নোত্তৰ

**প্ৰশ্ন ১। খালী ঠাই পূৰ কৰা :**

**(ক) আজৰি সময়ত কৰা কামে মনত ——দিয়ে।**

উত্তৰ : আজৰি সময়ত কৰা কামে মনত আনন্দ দিয়ে।

**(খ) কিতাপ আলোচনী আদি পঢ়িলে বহুতো ——জানিব পাৰি।**

উত্তৰ : কিতাপ আলোচনী আদি পঢ়িলে বহুতো নতুন কথা জানিব পাৰি।

**(গ) সময় অমূল্য ——।**

উত্তৰ : সময় অমূল্য ধন।

**(ঘ) খেলা-ধেমালি কৰিলে শৰীৰ ——হয়।**

উত্তৰ : খেলা-ধেমালি কৰিলে শৰীর সুস্থ-সবল হয়।

**(ঙ) খেল খেলোতে লগত মিলা-প্ৰীতি বাঢ়ে।**

উত্তৰ : খেল খেলোঁতে লগৰীয়া সকলৰ লগত মিলা-প্ৰীতি বাঢ়ে।

**(চ) ঘৰত নাথাকিলে ——পৰা কিতাপ আলোচনী আনি পঢ়িব পাৰি।**

উত্তৰ : ঘৰত নাথাকিলে পুথিভঁৰালৰ পৰা কিতাপ আলোচনী আনি পঢ়িব পাৰি।

**প্ৰশ্ন ২। আজৰি সময় কাক বোলে ?**

উত্তৰ : নিজৰ ভাগৰ কামখিনি কৰি উঠাৰ পাচত যি সময় পোৱা যায় তাকে আজৰি সময় বোলে।

**প্ৰশ্ন ৩। ৰেডিঅ’ত শিশুসকলৰ কাৰণে প্ৰচাৰ কৰা দুটা অনুষ্ঠানৰ নাম লিখা।**

উত্তৰ : ‘অকণিৰ মেল’ আৰু ‘চেমনীয়াৰ চৰা’।

**প্ৰশ্ন ৪। টেলিভিছনত শিশুসকলৰ কাৰণে উপযোগী এটা অনুষ্ঠানৰ নাম লিখা।**

উত্তৰ : টেলিভিছনৰ ‘কুইজ’ নামৰ অনুষ্ঠান শিশুসকলৰ কাৰণে উপযোগী এটা অনুষ্ঠান।

**প্ৰশ্ন ৫। আজৰি সময়ত তোমালোকে কি কি কৰি ভাল পোৱা।**

উত্তৰ : আজৰি সময়ত আমি মা-দেউতাকক সহায় কৰি দিও। নিজৰ বয়বস্তুবোৰ পৰিপাৰ্টি কৰি থওঁ। গছপুলি ৰোপণ কৰোঁ। ফুলনি বাগিছাৰ যত্ন লোৱা আদি কামবোৰ আজৰি সময়ত কৰি ভাল পাওঁ।

**প্ৰশ্ন ৬। তুমি জনা দুখন অসমীয়া বাতৰি কাকতৰ নাম লিখা।**

উত্তৰ : 'দৈনিক অসম' আৰু 'অসমীয়া খবৰ'।

**প্ৰশ্ন ৭। বৰ্তমান সময়ত খেলা দুবিধ খেলৰ নাম লিখা।**

উত্তৰ : বৰ্তমান সময়ত খেলা দুবিধ খেল হল —টেনিছ, ফুটবল।

**প্ৰশ্ন ৮। খেলাধূলা কৰিলে আমাৰ কি ধৰণৰ উপকাৰ হয় লিখা।**

উত্তৰ : খেলাধূলা কৰিলে মনত আনন্দ পোৱা যায়। শৰীৰ সুস্থ সবল হয়। খেলধূলা কৰিলে লগৰীয়া সকলৰ লগত মিলা প্ৰীতি বাঢ়ে।

**প্ৰশ্ন ৯। আজৰি সময়ত কেনেধৰণৰ কিতাপ পঢ়া উচিত ?**

উত্তৰ : আজৰি সময়ত সাধুকথা, দেশফুৰাৰ কাহিনী, (ভ্ৰমণ কাহিনী) আৰু শিশু আলোচনী পঢ়া উচিত।

**প্ৰশ্ন ১০। কোনবোৰ কামে নতুন নতুন সৃষ্টিৰ গুণটো বঢ়াই তোলে ?**

উত্তৰ : কুমাৰ মাটি অথবা পুটিনেৰে পুতলা-মূৰ্ত্তি আৰু অন্যান্য সামগ্ৰী গঢ় দি নতুন সৃষ্টিৰ গুণটো বঢ়াই তোলে।